মিশ্ৰ অৰ্থনীতি হিচাপে ভাৰতত ব্যক্তিগত আৰু ৰাজহুৱা এই দুটা খণ্ডৰ বাহিৰেও ব্যক্তি আৰু চৰকাৰৰ যৌথ উদ্যোগত উদ্যোগ প্ৰতিষ্ঠা কৰা হয় । গতিকে চৰকাৰী খণ্ড, বেচৰকাৰী খণ্ড আৰু যৌথ খণ্ডৰ মাজত এক সমন্বয়মূলক বিকাশ হোৱাকৈ উদ্যোগৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত কেতবোৰ নিয়ম-কানুন নিৰ্দ্ধাৰণ কৰি লোৱাটো প্ৰয়োজন। এই নিয়ম-নীতিবোৰকেই ঔদ্যোগিক নীতি বোলা হয় ।

ভাৰত চৰকাৰে এই পৰ্যন্ত চাৰিবাৰ ঔদ্যোগিক নীতি ঘোষণা কৰিছে – ১৯৪৮ চনত, ১৯৫৬ চনত আৰু ১৯৯১ চনত ।

## ১৯৪৮ চনৰ ঔদ্যোগিক নীতি ঃ

১৯৪৮ চনৰ ৬ এপ্ৰিল তাৰিখে প্ৰণয়ন কৰা ভাৰতীয় উদ্যোগ নীতিৰ মূল বৈশিষ্ট্যসমূহ হ'ল -

(১) এই নীতিত ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ গুৰুত্ব স্বীকাৰ কৰি লোৱা হৈছে । ইতিমধ্যে বৰ্তি থকা ৰাজহুৱা উদ্যোগৰ বাদেও নতুন উৎপাদনী ক্ষেত্ৰত ৰাজহুৱা উদ্যোগ প্ৰতিস্থাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে সঠিক নিৰ্দেশনা আৰু নিয়ন্ত্ৰণৰ অধীনত ব্যক্তিগত উদ্যোগৰ বিকাশ সাধনত অনুমোদন জনোৱা হয় ।

(২) উদ্যোগ সমূহক চাৰিটা ভাগত বিভক্ত কৰা হয় –

(ক) চৰকাৰী একচেটিয়া অধিকাৰভুক্ত খণ্ড - ইয়াৰ অধীন হ'ল খাৰ-বাৰুদ, আনবিক শক্তি আৰু ৰেল পৰিবহণ ।

(খ) মিশ্ৰিত খণ্ড - ইয়াৰ অধীন উৎপাদনস্থলীসমূহ হ'ল কয়লা, লো-তীখা, বায়ু যান, কাগজ নিৰ্মাণ, দূৰভাষ ইত্যাদি ।

(গ) চৰকাৰী নিয়ন্ত্ৰণাধীন খণ্ড - ইয়াৰ অধীনত ১৮ টা উদ্যোগ অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ প্ৰধান হ'ল - স্বয়ংচালিত যান, গধুৰ ৰাসায়নিক দ্ৰব্য, গধুৰ যন্ত্ৰপাতি, সাৰ, বিদ্যুৎ অভিযান্ত্ৰিক সৰঞ্জাম, চেনি, কাগজ, চিমেণ্ট, কপাহ ইত্যাদি । এনে উদ্যোগত চৰকাৰে প্ৰত্যক্ষভাৱে হস্তক্ষেপ নকৰি নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰাটো থিৰাং কৰা হয় ।

(ঘ) ব্যক্তিগত খণ্ড ঃ ইতিমধ্যে উল্লিখিত তিনিটা খণ্ডত অন্তৰ্ভুক্ত নোহোৱা বাকী সকলো উদ্যোগ ব্যক্তিগত খণ্ডৰ অধীন কৰা হয়। অৱশ্যে ব্যক্তিগত খণ্ডত ইয়াৰ পৰিচালনা সন্তোষজনক নহ'লে এনে উদ্যোগ চৰকাৰী খণ্ডৰ অধীন কৰাৰ বাট মুকিল ৰখা হয় ।

(৩) কুটিৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ গুৰুত্ব স্বীকাৰ কৰি এই উদ্যোগৰ সম্প্ৰসাৰণৰ পথত থকা সমস্যাসমূহ কেন্দ্ৰীয় চৰকাৰৰ সহযোগত সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ ওপৰত দয়িত্ব অৰ্পণ কৰা হয় ।

(৪) ভাৰতীয় লোকে মালিকীস্বত্ব আৰু পৰিচালনাত অধিক প্ৰাধান্য লাভ কৰা উদ্যোগৰ ক্ষেত্ৰতহে বিদেশী পুঁজি ব্যৱহাৰৰ অনুমতি দিয়া হয় ।

ইয়াৰ উপৰিও শ্ৰমিক আৰু পৰিচালন সঞ্চালকৰ মাজত সমন্বয়পূৰ্ণ সম্পৰ্ক স্থাপন কৰি মজুৰিৰ হাৰ যথোপযুক্ত কৰি তোলাৰ ওপৰতো ১৯৪৮ চনৰ উদ্যোগ নীতিয়ে গুৰুত্ব আৰোপ কৰে ।

উল্লেখযোগ্য য ১৯৪৮ চনৰ উদ্যোগ নীতিয়ে বৃহৎ উদ্যোগপতিসকলৰ স্বাৰ্থ পূৰণ হোৱাত অধিক



Scanned with CamScanner

সহায় কৰিলে । ইয়াৰ উপৰিও এই উদ্যোগ নীতিয়ে একাধিক সমালোচনাৰ সন্মুখীন হ'বলগীয়া হয় । সেয়েহে ১৯৫৬ চনত ভাৰত চৰকাৰে নতুন উদ্যোগ নীতি গ্ৰহণ কৰিবলগীয়া হ'ল ।

**১৯৫৬ চনৰ উদ্যোগ নীতি ঃ**

১৯৫৬ চনৰ নতুন উদ্যোগ নীতি ঘোষণা কৰিবলগীয়া হোৱাৰ আঁৰত থকা প্ৰধান কাৰণবোৰ হ'ল –

(১) পূৰ্বৰ ১৯৪৮ চনৰ উদ্যোগ নীতি গ্ৰহণ কৰাৰ পৰৱৰ্তী আঠ বছৰত অৰ্থনীতিখনৰ উদ্যোগ উন্নয়নৰ প্ৰকৃতি আৰু গঠনৰ যথেষ্ট পৰিবৰ্তন হ'ল । ই নতুন উদ্যোগ নীতিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰায় ।

(২) ইতিমধ্যে ১৯৫১ চনৰ পৰা ১৯৫৬ চনলৈ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাৰ্যকাল শেষ হয় । ইয়াৰ পৰা ব্যক্তিগত খণ্ডৰ উদ্যোগসমূহক অধিক নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজনীয়তা উপলব্ধ হয় ।

(৩) তদানীন্তন চৰকাৰে সাম্যবদী আৰ্হিৰ সমাজ ব্যৱস্থাৰ লক্ষ্য গ্ৰহণ কৰে । ইও প্ৰচলিত উদ্যোগ গাঁথনিৰ পৰিবৰ্তনৰ প্ৰয়োজনীয়তা সূচনা কৰি নতুন উদ্যোগ নীতিৰ পথ সুগম কৰে ।

**১৯৫৬ চনৰ উদ্যোগ নীতিৰ উদ্দেশ্য ঃ**

(১) উদ্যোগীকৰণ প্ৰক্ৰিয়া অধিক দ্ৰুত কৰি তোলা,

(২) গধুৰ আৰু যন্ত্ৰপাতি তৈয়াৰ কৰা উদ্যোগৰ বিকাশ সাধন কৰা,

(৩) ৰাজহুৱা খণ্ডৰ সম্প্ৰসাৰণ ঘটোৱা,

(৪) আয় আৰু সম্পদ বিতৰণৰ বৈষম্য দূৰ কৰা,

(৫) সমবায় উদ্যোগৰ বিকাশ সাধন কৰা আৰু

(৬) একচেটিয়া ব্যৱসায় আৰু সম্পদৰ আয়ৰ কেন্দ্ৰীভৱন প্ৰক্ৰিয়া ৰোধ কৰা ।

**১৯৫৬ চনৰ উদ্যোগ নীতিৰ মূল বৈশিষ্ট্য ঃ**

(১) ১৯৫৬ চনৰ উদ্যোগ নীতিয়ে উদ্যোগসমূহক তিনিটা শ্ৰেণীত ভাগ কৰিছে –

(ক) ১৭ টা উদ্যোগক ৰাজহুৱা খণ্ডৰ অধীন কৰা হয় । এই উদ্যোগসমূহক মুঠতে পাঁচটা গোটত ভাগ কৰিব পাৰি – প্ৰতিৰক্ষা উদ্যোগ, খনিজ উদ্যোগ, গধুৰ উদ্যোগ, যাতায়াত আৰু যোগাযোগ উদ্যোগ আৰু শক্তিভিত্তিক উদ্যোগ । ইয়াৰে খাৰ-বাৰুদ, আনবিক শক্তি, ৰেল পৰিবহণ আৰু বায়ু পৰিবৰ্তন এই চাৰিটা উদ্যোগত ৰাজহুৱা খণ্ডৰ একচেটিয়া অধিকাৰ নিশ্চিত কৰা হ'ল । বাকী তেৰটা উদ্যোগৰ নতুন গোট কেৱল ৰাজহুৱা খণ্ডত মুকলি কৰাটো থিৰাং কৰা হ'ল আৰু ব্যক্তিগত খণ্ডত থকা ইয়াৰ পুৰণা গোট বক্তিগত খণ্ডতে পৰিচালিত হোৱাটো মুকলি ৰখা হ'ল । এই সকলোবোৰ উদ্যোগ A তালিকাভুক্ত কৰা হ'ল।

(খ) B তালিকাভুক্ত ১২ টা উদ্যোগত চৰকাৰী আৰু বেচৰকাৰী উদ্যোক্তা উভয়ৰে প্ৰৱেশ মুকলি কৰা হ'ল । এই উদ্যোগকেইটা হ'ল - ৰাজহুৱা খণ্ডৰ অধীন নোহোৱা খনিজ উদ্যোগ,পথ পৰিবহণ, সামুদ্ৰিক পৰিবহণ, যন্ত্ৰপাতি, সংকৰিত ধাতৰ উদ্যোগ, ৰাসায়নিক দ্ৰব্য উৎপাদনৰ



Scanned with CamScanner

বাবে লগা মূল আৰু মধ্যৱৰ্তী দ্ৰব্য, ৰং দিয়া সামগ্ৰী আৰু প্লাষ্টিক এলুমিনিয়াম আৰু প্ৰথম তালিকাত অন্তৰ্ভুক্ত নোহোৱা ধাতৱ উদ্যোগ ইত্যাদি ।

(গ) A আৰু B তালিকাত অন্তৰ্ভুক্ত নোহোৱা সকলো প্ৰকাৰ উদ্যোগ বেচৰকাৰী খণ্ডৰ বাবে মুকলি কৰা হ'ল ।

(২) বেচৰকাৰী আৰু ৰাজহুৱা খণ্ডক সম্পূৰ্ণ স্বতন্ত্ৰ নকৰি পৰস্পৰ সহযোগিতাৰে বিকাশ লাভ কৰাৰ ব্যৱস্থা কৰা হ'ল ।

(৩) বেচৰকাকী খণ্ডৰ অধীন উদ্যোগৰ সম্প্ৰসাৰণ আৰু উন্নয়নৰ বাবে চৰকাৰী সাহায্য দিয়াৰ ব্যৱস্থা কৰা হ'ল । লগতে চেৰকাৰী খণ্ডৰ উদ্যোগক চৰাৰে নিয়ন্ত্ৰণ কৰাৰ দায়িত্বও প্ৰদান কৰা হ'ল ।

(৪) ১৯৪৮ চনৰ উদ্যোগ নীতিৰ দৰে ১৯৫৬ চনৰ উদ্যোগ নীতিটো কুটিৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ ভূমিকাক স্বীকৃতি দিয়া হ'ল ।

(৫) আঞ্চলিক বৈষম্য দূৰীকৰণ, কাৰিকৰী আৰু পৰিচালন দক্ষতা থকা ব্যক্তিৰ যোগান বৃদ্ধিৰ বাবে ব্যৱস্থা গ্ৰহণ আদিৰ ওপৰতো ১৯৫৬ চনৰ উদ্যোগ নীতিয়ে যাৱতীয় নিৰ্দেশনা আগবঢ়াইছে । ইয়াৰ উপৰিও উদ্যোগী কৰণৰ স্বাৰ্থত শ্ৰমিকৰ ব্যৰ্থতা প্ৰদানৰ ব্যৱস্থা কৰা হয় ।

১৯৭৩ চনৰ ২ ফেব্ৰুৱাৰীত ১৯৫৬ চনৰ উদ্যোগ নীতিৰ কিছু সংশোধন কৰা হয় । এক্ষ সংশোধনত যৌথ খণ্ডৰ স্বীকৃতি দিয়া হয়। এই যৌথ খণ্ডত বেচৰকাৰী আৰু চৰকাৰী উভয়ৰে উমৈহতীয়া মালিকীস্বত্ব থাকে। ইয়াৰ উপৰিও ১৯৭৩ চনৰ সংশোধিত নীতি অনুসৰি বেচৰকাৰী খণ্ড আৰু বিদেশী বহুজাতিক কোম্পানীৰ ওপৰত থকা নিয়ন্ত্ৰণ কিছু শিথিল কৰা হয় ।

ইয়াৰ পিছতো ১৯৭৭, ১৯৮০ আৰু ১৯৮৫ চনতো নতুন উদ্যোগ নীতি ঘোষণা হয় যদিও ১৯৯১ চনৰ উদ্যোগ নীতিয়েহে অথনীতিখনলৈ মৌলিক পৰিবৰ্তন আনে।

## ১৯৯১ চনৰ উদ্যোগ নীতি

## *(New Industrial Policy, 1991)*

### ...991 চনৰ নৱা ঔদ্যোগিক নীতিৰ পটভূমি